অধ্যায় ৫ ঃ নমুনা সংগ্রহ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ নমুনা সংগ্রহৰ অর্থ
    ৫.৩.১ নমুনা সংগ্রহৰ প্রকাৰ
৫.৪ নমুনা সংগ্রহ পদ্ধতিৰ ব্যৱহাৰ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নমুনা সংগ্রহৰ অর্থ বুজিব পাৰিব
- নমুনা সংগ্রহৰ বিভিন্ন প্রকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- সমাজ বিজ্ঞান গৱেষণাত নমুনা সংগ্রহ পদ্ধতিৰ ব্যৱহাৰ আলোচনা কৰিব পাৰিব

৫.২ পৰিচয়

এই অধ্যায়ত আমি গৱেষণাত নমুনা সংগ্রহৰ গুৰুত্ব, নমুনা সংগ্রহৰ প্রকৃতি আৰু প্রকাৰ সম্বন্ধে জানিবলৈ চেষ্টা কৰিম। সাধাৰণতে যিকোনো অধ্যয়ন বা গৱেষণাত কেতবোৰ নির্দিষ্ট প্রশ্ন জড়িত হৈ থাকে। উদাহৰণস্বৰূপে তথ্য সংগ্রহৰ বাবে আমি কাক বিবেচনা কৰিম ? জনসংখ্যাৰ সকলো লোককে আমি সামৰি ল'ম নে এক নির্দিষ্ট সংখ্যক লোককহে আমি নমুনা হিচাপে গ্রহণ কৰিম ? ইয়াত জনসংখ্যা মানে আমি তথ্য সংগ্রহৰ বাবে অধ্যয়ন কৰিবলগীয়া প্রতিটো সমূহক বুজাইছো। এজন গৱেষকে অধ্যয়ন কৰিবলৈ বিচৰা গৱেষণাৰ নির্দিষ্ট সমস্যাটোৰ তথ্যগত বৈশিষ্ট্যকো ইয়াত সামৰি লোৱা হৈছে। উল্লেখ্য যে এটা নমুনাক সমগ্র জনসংখ্যাৰ প্রতিনিধিৰূপে গণ্য কৰা হৈছে। অৱশ্যে বেছিভাগ ক্ষেত্রতে গৱেষকৰ বাবে সমগ্র জনসংখ্যাক সামৰি নমুনা সংগ্রহ কৰাটো সম্ভৱপৰ হৈ নুঠে। এইক্ষেত্রত সমস্যাৰ সৃষ্টি কৰে পুঁজি, সময়ৰ সীমাবদ্ধতা আদি সীমাবদ্ধতাই। নমুনা সংগ্রহৰ প্রক্রিয়া নির্ভৰ কৰে অধ্যয়নৰ উদ্দেশ্য আৰু প্রকৃতিৰ ওপৰত। এই সংগৃহীত নমুনাৰে পৰৱর্তী সময়ত সমৰূপীয় বৈশিষ্টসম্পন্ন সমগ্র জনসংখ্যাৰ অধ্যয়ন কৰিব


পৰা যায়। আন কথাত ক'বলৈ গ'লে নমুনা সংগ্রহে অধ্যয়নৰ উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি সমগ্র জনসংখ্যাৰ সন্দর্ভত সামগ্রিক ধাৰণা নির্ধাৰণ কৰে। গতিকে নমুনাৰ সংখ্যা যিমানেই অধিক হয়, অধ্যয়নৰ ফলাফলৰ নির্ভৰশীলতাৰ ওপৰত আস্থাও সিমানে বৃদ্ধি পায়। অৱশ্যে সমগ্র জনসংখ্যাৰ মাজৰ পৰা নমুনা নির্বাচনৰ ক্ষেত্রত সাৱধান হোৱা উচিত কাৰণ কিমান সংখ্যক নমুনাই সামগ্রিক প্রতিনিধিত্ব কৰিব আৰু সমৰ্দ্ধপীয় বৈশিষ্ট্য বহন কৰে সেয়া জনাটো প্রয়োজনীয়। প্রায়ে অসমান নমুনাই গৱেষণাৰ ফলাফলত ভ্রান্তিৰ সৃষ্টি কৰে। নমুনা সংগ্রহৰ ক্ষেত্রত এনেধৰণৰ ভুল-ভ্রান্তি দূৰ কৰিবলৈ কেতবোৰ পদ্ধতি অনুসৰণ কৰাটো প্রয়োজন আৰু এই সমূহ আমি পৰৱর্তী সময়ত বহলাই আলোচনা কৰিম।

৫.৩ নমুনা সংগ্রহৰ অর্থ

প্রথমে আমি গৱেষণাৰ নমুনা সংগ্রহৰ সংজ্ঞা আৰু অর্থ বুজিবলৈ চেষ্টা কৰো আহক। মানহেইমৰ (১৯৭৭) মতে, নমুনা হৈছে জনসংখ্যাৰ এনে এক অংশ যিটোক সমগ্র জনসংখ্যাৰ ফলাফল নির্ধাৰণ কৰিবলৈ অধ্যয়ন কৰা হয়। গতিকে নমুনাৰ দ্বাৰা সমগ্র জনসংখ্যাৰ ফলাফল নির্ধাৰণ কৰিব পৰা যায়। গতিকে নমুনা সংগ্রহৰ বাবে নির্দিষ্ট সমূহ নির্বাচন কৰাটো অতি প্রয়োজনীয়। উদাহৰণস্বৰূপে, ধৰি লোৱা হওক এটা নির্দিষ্ট এলেকাৰ মহিলাসকলৰ স্বাস্থ্যৰ সন্দর্ভত অধ্যয়ন কৰিবলগীয়া হ'ল। ইয়াত অধ্যয়নৰ সমূহ হৈছে মহিলা। আমাৰ অধ্যয়নৰ নমুনা সংগ্রহৰ অৱধাৰণাই সংগ্রহৰ সংৰচনা আৰু পদ্ধতিৰ ওপৰত গুৰুত্ব প্রদান কৰিব। উদাহৰণস্বৰূপে কেনেধৰণৰ মহিলা (বিবাহিত নে অবিবাহিত), কি বয়সৰ, নিবনুৱা নে কর্মৰত আদি। এই সমূহ স্পষ্ট হ'লে জনসংখ্যাৰ আন নমুনা চিনাক্তকৰণত সুবিধা হ'ব। সাধাৰণতে অধ্যয়ন কৰিবলগীয়া নমুনাৰ আকাৰ নির্ধাৰণৰ বাবে তলত উল্লেখ কৰা ফর্মূলা গ্রহণ কৰা হয়। এই ফর্মূলাটো হৈছে— $n/1+n\ (e)^2$, ইয়াত n হৈছে মুঠ জনসংখ্যা, e হৈছে আস্থাৰ পৰিমাণ, অর্থাৎ ০.৫ ইয়াৰ আগৰ উদাহৰণত অধ্যয়ন ক্ষেত্রৰ মুঠ মহিলাৰ সংখ্যা হৈছে অধ্যয়নৰ মুঠ জনসংখ্যা। এই ফর্মূলা ব্যৱহাৰ কৰি সমগ্র জনসংখ্যাক বুজাব পৰা নমুনা নির্ধাৰণ কৰা হয়।

৫.৩.১ নমুনা সংগ্রহৰ প্রকাৰ

অৱশ্যে গৱেষণাৰ বাবে নমুনা সংগ্রহৰ বিভিন্ন পদ্ধতি আছে, বহলকৈ এই পদ্ধতিসমূহক সম্ভাব্য আৰু অসম্ভাব্য নমুনা সংগ্রহৰ ভাগত ভগোৱা হয়। সৰল ভাষাত ক'বলৈ গ'লে, সম্ভাব্য নমুনা সংগ্রহত অধ্যয়নৰ অধীনস্থ লোকসকলক সামৰি লোৱাৰ সম্ভাৱনা প্রৱল, কিন্তু অসম্ভাব্য নমুনা সংগ্রহত সকলো ব্যক্তিকে সামৰি লোৱাৰ সম্ভাৱনা নাথাকে কাৰণ ইয়াত গৱেষকৰ পচন্দ আৰু আগ্রহৰ কথা জৰিত হৈ থাকে। সম্ভাব্য নমুনা সংগ্রহেৰে অধ্যয়নৰ ক্ষেত্রত সকলো দিস সামৰি লোৱাৰ সম্ভাৱনা উচ্ছ। ইয়াত নমুনাৰ সমৰ্দ্ধপীয় বৈশিষ্ট্য বাচনি কৰা হয়। এই দুই ধৰণৰ নমুনা সংগ্রহৰ বিষয়ে তলত আলোচনা কৰা হ'ল -



➢ সম্ভাব্য নমুনা সংগ্রহ ঃ

অধ্যয়নৰ ক্ষেত্রত সম্ভাব্য নমুনা তেতিয়াই ব্যৱহাৰ কৰা হয় যেতিয়া অধ্যয়নৰ ক্ষেত্রত নির্ধাৰিত তথ্য উপলব্ধ থাকে। সম্ভাব্য নমুনা সংগ্রহৰ অধীনত সৰল যধে মধে কৰা নমুনা সংগ্রহ, স্তৰীকৃত যধে মধে কৰা নমুনা সংগ্রহ, পদ্ধতিগত নমুনা সংগ্রহ, আৱদ্ধ নমুনা সংগ্রহ, বহুতৰপীয় নমুনা সংগ্রহ, বহু পর্যায়ৰ নমুনা সংগ্রহ পদ্ধতি আছে। **সৰল যাদৃচ্ছিক কৰা নমুনা সংগ্রহত** অধ্যয়নৰ বাবে সকলো উপদানেৰে নির্বাচিত হোৱাৰ সমান সম্ভাৱনা থাকে। ইয়াত সাধাৰণতে লটাৰীৰ সহায় লোৱা হয় আৰু তিনিটা পর্যায়ৰ মাজত এই কাম কৰা হয়। প্রথমে অধ্যয়নৰ ক্ষেত্র নির্বাচন কৰি তালিকা ভুক্ত কৰা হয়। দ্বিতীয়তে, প্রতিটো অধ্যয়ন ক্ষেত্রৰ নাম এখন এখনকৈ কাগজত লিখা হয় আৰু এটা বাকচত এইসমূহ ভৰোৱা হয়। পৰৱর্তী সময়ত এই কাগজৰ টুকুৰাবোৰ মিহলি কৰি ইয়াৰ পৰা যিকোনো এখন তুলি অনা হয়। এনে পদ্ধতিত প্রতিটো অধ্যয়ন ক্ষেত্রৰে নির্বাচিত হোৱাৰ সমান সম্ভাৱনা থাকে। ইয়াৰ ওপৰিও নির্বাচিত ক্ষেত্রক কেতবোৰ গোটত বিভক্ত কৰি কিছুমান উপ শিৰোনাম দিয়া হয় যেনে, বয়স, লিংগ শিক্ষাগত অর্হতা আদি। এই শিতানসমূহৰ বিষয়ে সমসংখ্যক কাগজৰ টুকুৰাত লিখি বাচি উলিওৱা হয় আৰু প্রত্যেকখন শ্বীটৰ বাচনিত উঠাৰ সমান সম্ভাৱনা থাকে। এই প্রক্রিয়াক কোৱা হয়, **স্তৰীকৃত যাদৃচ্ছিক কৰা নমুনা সংগ্রহ। পদ্ধতিগত নমুনাসংগ্রহৰ** ক্ষেত্রত নমুনাৰ তালিকাত থকা আন প্রতিটো নমুনা বাছি উলিয়াবলৈ পুনঃ পুনঃ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে ধৰি লোৱা হওক অধ্যয়ন ক্ষেত্রৰ কেৱল ৪ শতাংশ অধ্যয়ন কৰিবলৈ আছে, এনে প্রেক্ষাপটত ১ নম্বৰটো বাছি লৈ প্রতিটো ২৫ টা নমুনাৰ পিছত পৰৱর্তী অন্তৰাল নির্ধাৰণ কৰা হয়। এই প্রক্রিয়া সম্ভাব্য নমুনা সংগ্রহৰ অধীনস্থ আৰু ইয়াত সৰল যাদৃচ্ছিক কৰা নমুনা সংগ্রহৰ দ্বাৰা প্রথমটো নমুনা বাছি লৈ ইয়াৰ ওপৰত

ভিত্তি কৰি পৰৱৰ্তী নমুনাসমূহো নির্ধাৰণ কৰা হয়। এই পদ্ধতিত N/n এই সূত্র ব্যৱহাৰ কৰা দেখা যায়, ইয়াত N হৈছে ক্ষেত্রত উপলব্ধ নমুনাৰ সংখ্যা আৰু n হৈছে অধ্যয়নৰ বাবে বাছি লোৱা সম্ভাব্য নমুনাৰ আকাৰ। এই সূত্রৰ দ্বাৰা গৱেষণাত অধ্যয়ন কৰিবলগীয়া প্রকৃত নমুনাৰ আকাৰ নির্ধাৰণ কৰিব পাৰি। **আৱদ্ধ নমুনা সংগ্রহৰ** বাবে অধ্যয়নৰ ক্ষেত্রখন কিছুমান শাখা বা উপভাগত ভাগ কৰি তথ্য সংগ্রহৰ বাবে সুবিধাজনক কৰি লোৱা হয়। যেতিয়া সংগ্রহ কৰিবলগীয়া তথ্যৰ আকাৰ ডাঙৰ হয় তেতিয়াই এই পদ্ধতি ব্যৱহাৰ কৰা হয়। ইয়াত উপ-শিতাসমূহত ভৌগলিক অৱস্থান, অর্থনৈতিক দিশ আদি কিছু জটিল বিষয় ফুটাই তোলা হয়। আৱদ্ধ নমুনা সংগ্রহত অধ্যয়ন ক্ষেত্রক বিভিন্ন কোঠালিত বিভক্ত কৰি প্রতিটো ভাগৰ পৰা যাদৃচ্ছিক উপাদান তুলি অনা হয়। **বহুতৰপীয় নমুনা সংগ্রহ পদ্ধতিত** তথ্য সংগ্রহৰ বহুতো তৰপ থাকে কিন্তু কেৱল অন্তিম পর্যায়তহে অধ্যয়ন ক্ষেত্রক অন্তভুক্ত কৰা হৈছে। স্তৰীকৃত বা আৱদ্ধৰ বিপৰীতে য'ত বিভিন্ন স্তৰ বা সমূহৰ পৰা বিষয় অথবা নমুনা অধ্যয়ন কৰা হয়, বহুতৰপীয় নমুনা সংগ্রহত কেৱল অন্তিম পর্যায়ৰ পৰাহে তথ্য সংগ্রহ কৰা হয়। উদাহৰণস্বৰূপে যদি আমি দেশৰ বিশ্ববিদ্যালয়সমূহৰ কার্যাৱলী অধ্যয়ন কৰিব বিচাৰো তেনেহ'লে ইয়াৰ বাবে আমি প্রথমে বিশ্ববিদ্যালয় থকা ৰাজ্যসমূহ বাছি উলিয়াই তথ্য সংগ্রহৰ বাট প্রশস্ত কৰিব লাগিব। বহুতৰপীয় নমুনা সংগ্রহৰ অনুৰূপ বহু পর্যায়ৰ নমুনা সংগ্রহো আছে য'ত এটা পর্যায়ৰ পৰা আন এটা পর্যায়লৈ যাবলৈ প্রতিটো পর্যায় ভালদৰে অধ্যয়ন কৰা হয়। ইয়াত প্রতিটো পর্যায় খৰছী মাৰি অধ্যয়ন কৰা হয়। তথ্য সংগ্রহৰ বাবে প্রতিটো পর্যায়ৰ সত্যাসত্য নিৰূপন কৰা হয়।

➢ **অসম্ভাব্য নমুনা সংগ্রহ ঃ**

যেতিয়া অধ্যয়ন ক্ষেত্রত তথ্য উপলব্ধ হোৱাৰ বিষয়ে গৱেষকজন জ্ঞাত নহয় তেতিয়া এই পদ্ধতি ব্যৱহাৰ কৰা হয়। সাধাৰণতে এই নমুনা সংগ্রহৰ পদ্ধতি তেতিয়াহে প্রয়োগ কৰা হয় যেতিয়া তথ্য সংগ্রহৰ কোনো শিথিল নিয়ম নাথাকে আৰু ক্ষেত্রত তথ্য উপলব্ধ হোৱা-নোহোৱাৰ ওপৰত এই পদ্ধতি সম্পূর্ণৰূপে নির্ভৰশীল। ইয়াক সমগ্র জনসংখ্যাক প্রতিনিধিত্ব কৰাৰ কথা উল্লেখ নাথাকে কাৰণ এই পদ্ধতি সম্ভাব্য নমুনা সংগ্রহৰ ওপৰত নির্ভৰশীল নহয়। আৰু ইয়াত প্রতিজন ব্যক্তিৰ দৃষ্টিভংগী বা অভিজ্ঞতাক সুকীয়াকৈ গুৰুত্ব প্রদান কৰা হয়।

সাধাৰণতে অসম্ভাব্য নমুনা সংগ্রহ পদ্ধতিৰ আওতাত বিশ্বস্ত নমুনা সংগ্রহ, উদ্দেশ্যপ্রণোদিত নমুনা সংগ্রহ, কোটা নমুনা সংগ্রহ, স্ন'বল নমুনা সংগ্রহ আৰু স্বেচ্ছামূলক নমুনা সংগ্রহ পদ্ধতি আছে। আহক এইবাৰ অসম্ভাব্য নমুনা সংগ্রহ পদ্ধতিৰ কৌশলৰ বিষয়ে জানিবলৈ চেষ্টা কৰো। **বিশ্বস্ত নমুনা সংগ্রহত** গৱেষকে নিজৰ আগ্রহ আৰু নির্দিষ্ট গৱেষণাৰ উদ্দেশ্য অনুসৰি নমুনা সংগ্রহ কৰে। এই পদ্ধতিত ভৌগলিক

ক্ষেত্র বা সাক্ষাৎকাৰদাতা ইয়াৰে যিকোনো এটাৰ পৰা সুবিধা অনুযায়ী গৱেষকে নমুনা সংগ্রহ কৰে। উদাহৰণস্বৰূপে যদি কোনো গৱেষণাত সুৰাপায়ী উদণ্ডসকলক মূল সূঁতিলৈ ঘূৰাই অনাৰ চেষ্টা কৰা হৈছে তেনেহ'লে তাত গৱেষকজনে এলেকাসমূহত চিকিৎসাৰ বাবে কেনেদৰণৰ সুবিধা আছে তাৰ ওপৰত আগতীয়াকৈ নজৰ দি য'ত য'ত চিকিৎসাৰ সুবিধা উপলব্ধ তেনেস্থানত উপস্থিত হৈ অধ্যয়নৰ বাবে নমুনা সংগ্রহ কৰে। ইয়াৰ পিছত আছে **কোটা নমুনা সংগ্রহ**, ইয়াত গৱেষকৰ আগ্রহ আৰু সুবিধা অনুযায়ী মুঠ জনসংখ্যাক বিভিন্ন কোটা বা ভাগত বিভক্ত কৰা হয়। স্তৰীকৃত যাদৃচ্ছিক কৰা নমুনা সংগ্রহৰ বিপৰীতে ইয়াত গৱেষকৰ ইচ্ছা আৰু আগ্রহৰ ওপৰত গুৰুত্ব প্রদান কৰি জনসংখ্যাক বিভিন্ন ভাগত ভাগ কৰি নমুনা সংগ্রহ ৰা হয়। যেতিয়া ক্ষেত্রত নমুনা উপলব্ধ হোৱাৰ বিষয়ে নিচেই অকনমান জ্ঞান তাকে তেতিয়া **স্ন'বল নমুনা সংগ্রহ** পদ্ধতি ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে যদি এজন গৱেষকে গার্হস্থ্য হিংসাৰ বিষয়ে অধ্যয়ন কৰিব বিচাৰে তেতিয়া তেওঁ এই পদ্ধতি ব্যৱহাৰ কৰিব। এই অধ্যয়নত প্রথমে তেওঁ নিজৰ সীমিত জ্ঞানেৰে ক্ষেত্রৰ পৰা এটা নমুনা সংগ্রহ কৰিব আৰু উপলব্ধ সাক্ষাৎকাৰদাতাৰ পৰা তথ্য আহৰণেৰে আনবোৰ নমুনাও নিজৰ আয়ত্বলৈ আনিব। এই পদ্ধতিক স্ন'বল নমুনা সংগ্রহ পদ্ধতি বুলি জনা যায়। সর্বশেষত **স্বেচ্ছামূলক নমুনা পদ্ধতিত** সাক্ষাৎকাৰদাতাই নিজেই গৱেষকক নিজৰ অভিজ্ঞতা বর্ণায়।

গৱেষণাৰ প্রশ্নৰ ওপৰত নির্ভৰ কৰিয়ে নমুনা সংগ্রহৰ পদ্ধতি গঢ় লৈ উঠে। এই পদ্ধতি সম্পূর্ণৰূপে অধ্যয়নৰ প্রকৃতি আৰু উদ্দেশ্যৰ ওপৰত নির্ভৰ কৰে। সম্ভাব্য নমুনা সংগ্রহৰ পদ্ধতি গৱেষণাৰ সাধাৰণীকৰণৰ বাবে ব্যৱহাৰ কৰা হয়। আগৰ অধ্যায়ত দেখা পোৱা গৈছিল যে এজন গৱেষকে সদায় নিজৰ অধ্যয়নৰ বাবে সমগ্র জনসংখ্যাক সামৰি লোৱাৰ অৱকাশ নাপায় সেয়ে এটা নমুনাৰে সমগ্র জনসংখ্যাক বুজাবলৈ চেষ্টা কৰা হয়। অৱশ্যে কেতবোৰ অধ্যয়নৰ ক্ষেত্রত যেতিয়া উপলব্ধ সমূহৰ বিষয়ে অধিক জানিব পৰা নাযায় তেতিয়া গৱেষকে অসম্ভাব্য নমুনা সংগ্রহৰ পদ্ধতি প্রয়োগ কৰে। সাধাৰণতে গুণগত গৱেষণাত ক্ষেত্রৰ পৰা তথ্য সংগ্রহত কার্যকৰী অংশগ্রহণ নিশ্চিত কৰিবলৈ অসম্ভাব্য নমুনা সংগ্রহৰ পদ্ধতি গৱেষকে ব্যৱহাৰ কৰে। কেতবোৰ অধ্যয়নত গুণগত গৱেষণাৰ বাবে পুথিগত নমুনা সংগ্রহৰ কথাও উল্লেখ কৰা হৈছে, ইয়াত সংগ্রহ কৰিবলগীয়া নমুনাৰ সৈতে প্রচলিত সূত্র আৰু সাহিত্যৰ নিকট সম্পর্ক থাকে। সূত্রগত নমুনা সংগ্রহে গৱেষকক ধ্যয়নৰ বাবে নমুনা বাছি উলিওৱাত সহায় কৰে। এই সূত্রবোৰে গৱেষকক এনে নমুনা সংগ্রহত সহায় কৰে যিবোৰে অধ্যয়নৰ ভঁৰাল সমৃদ্ধ কৰে। গতিকে সম্ভাব্য বা অসম্ভাব্য যি পদ্ধতিয়ে নহওক কিয় গৱেষণাইহে নমুনা সংগ্রহৰ পদ্ধতি নির্ধাৰণ কৰে যাতে অধ্যয়নৰ উদ্দেশ্য সফল হয়।

৫.৪ নমুনা সংগ্রহ পদ্ধতিৰ ব্যৱহাৰ

নমুনা সংগ্রহ পদ্ধতিৰ জৰিয়তে আমি জনসংখ্যাৰ এটা অংশৰ পৰা তথ্য সংগ্রহ কৰিসেই তথ্যৰ ভিত্তিত সমগ্র জনসংখ্যাৰ বাবে এটি সিদ্ধান্তত উপনিত হও। সামাজিক বিজ্ঞানৰ গৱেষণাত নমুনা সংগ্রহ পদ্ধতি এক অতি সযত্নৰে, সাৱধানেৰে আৰু সচেতনতাৰে ব্যৱহাৰ কৰিবলগীয়া পদ্ধতি। এই পদ্ধতিক এক কার্যকাৰী আৰু অপৰিহার্য গৱেষণাৰ পদ্ধতি হিচাপে বিবেচিত কৰা হয়। এই পদ্ধতি ব্যৱহাৰৰ আৰৰ কাৰণসমূহ তলত উল্লেখ কৰা হল—

- জনসংখ্যাৰ এটা অংশৰ পৰা নমুনা সংগ্রহ কৰিলে যথেষ্ট কম খৰছত হয়।
- সমগ্র জনসংখ্যাৰ পৰা নমুনা সংগ্রহ কৰাতকৈ যদি সেই জনসংখ্যাক প্রতিনিধিত্ব কৰ্ব্বি পৰাকৈ জনসংখ্যাৰ অংশৰ পৰা নমুনা সংগ্রহ কৰা হয় তেতিয়া অতি সোনকালে গৱেষণা কৰ্ব্বি পৰা যায়।
- এই পদ্ধতিৰে কৰা গৱেষণাৰ ফলাফল নির্ভুল আৰু সঠিক হয়।
- যেতিয়া জনসংখ্যা অধিক হয়, তেতিয়া এই পদ্ধতি ব্যৱহাৰ কৰি গৱেষণা কৰাই সঠিক হয়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্ন'বল নমুনা কি?

.....

.....

প্রশ্ন নং ২ ঃ আৱদ্ধ নমুনা কি?

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়ৰ পৰা আমি নমুনা সংগ্রহ আৰু নমুনা সংগ্রহৰ প্রকাৰৰ বিষয়ে শিকিলো।
- গৱেষণাত ব্যৱহৃত বিভিন্ন সংজ্ঞা যেনে নমুনা, জনসংখ্যা অথবা বিশ্ব-ব্রহ্মাণ্ড, নমুনা সংগ্রহৰ ত্রুটি, সাধাৰণীকৰণৰ সমস্যা আদিৰ বিষয়ে জানিব পাৰিলো।
- সম্ভাব্য, অসম্ভাব্য নমুনা সংগ্রহত ব্যৱহৃত নমুনা সংগ্রহৰ পদ্ধতিৰ বিষয়ে জানিব পাৰিলো।
- সম্ভাব্য আৰু অসম্ভাব্য নমুনা সংগ্রহৰ বিভিন্ন পদ্ধতিৰ বিষয়ে জানিব পাৰিলো।
- গৱেষণাত নমুনা সংগ্রহৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিলো।



৫.৬ অধিক জানিবলৈ

১) Ahuja, R. Research Methods, Jaipur : Rawat Publications, 2012

২) Das, D. K. L. Practice of Social Research. Jaipur : Rawat Publications, 2010